# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসমৰ ছটা জনগোষ্ঠীক জনজাতিকৰণ প্ৰক্ৰিয়া বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। বিধানসভাত বিধায়ক ৰেকিবুদ্দিন আহমেদৰ এটা প্ৰশ্নৰ উত্তৰত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এইদৰে কয়। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যত বৰ্তমানে থকা জনজাতিসমূহে লাভ কৰা সা-সুবিধাসমূহ কৰ্তন নোহোৱাকৈ জনজাতিকৰণ কেনেকৈ কৰা হ'ব সেই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ দ্বাৰা গঠিত মন্ত্ৰী গোটৰ সমিতিৰ প্ৰতিবেদন বিচাৰিছে। এই সমিতিখনে এতিয়ালৈ প্ৰতিবেদন দাখিল কৰা নাই বুলি মন্ত্ৰীগৰাকীয়ে বিধানসভাত জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গঠিত এই সমিতিখনে ৰাজ্যৰ বিভিন্ন জনগোষ্ঠীৰ সৈতে আলোচনাত মিলিত হৈছে। বিভিন্ন জনগোষ্ঠীৰ সৈতে হোৱা আলোচনাৰ অন্তত সন্মুখীন হোৱা অসুবিধাৰ বাবে সমিতিখনে এতিয়ালৈকে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব পৰা নাই বুলি তেওঁ কয়। বৰ্তমান চৰকাৰে মন্ত্ৰী ডাঃ ৰণোজ পেগুক আহ্বায়ক হিচাপে লৈ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো চোৱাচিতা কৰিবলৈ এই সমিতিখনকে পুনৰ গঠন কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

00000

ৰাজ্যত কোনো চৰকাৰী বিদ্যালয় বন্ধ কৰা হোৱা নাই বুলি আজি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আব্দুল কালাম ৰছিদ আলমৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে অসমত ২০২১-২২ বৰ্ষত ৪৪ হাজাৰ ৮২৬ খন বিদ্যালয় আৰু ২০২৩-২৪ বৰ্ষত ৪৪ হাজাৰ ৭৪৩ খন বিদ্যালয় আছে। শিক্ষা ক্ষেত্ৰৰ আধাৰত সংলগ্নকৰণ, একত্ৰিকৰণ ইত্যাদি কাৰণত বিদ্যালয়সমূহ স্থানান্তৰ কৰি সমীপৱৰ্তী বিদ্যালয়সমূহত পাঠদান প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ কয়। চৰকাৰী তথ্য অনুসৰি ৰাজ্যত ৫ হাজাৰ ৮৮৩ খন অপ্ৰাদেশিকীকৃত বিদ্যালয় তেছ। ইয়াৰে ২ হাজাৰ ৩৪০ খন বিদ্যালয়ত ৩০ জনতকৈ কম শিক্ষাৰ্থী আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। যোগ্যতাৰ ভিত্তিত এনে বিদ্যালয়ৰ শিক্ষকসকলক ২০১৭ চনৰ বিজ্ঞাপনৰ আধাৰত ২০২১ চনত প্ৰাদেশিকীকৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

00000

হাতী-মানুহৰ সংঘাত দূৰ কৰিবলৈ ৰাজ্য চৰকাৰে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰিছে বুলি পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি বিধানসভাত প্ৰকাশ কৰে। বিধায়ক আফতাব উদ্দিন মোল্লাৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে গোৱালপাৰা জিলাত চলিত বৰ্ষত হাতীৰ আক্ৰমণত ৪ জন লোকৰ মৃত্যু হৈছে। হাতী আৰু মানুহৰ সংঘাতৰ সম্ভাৱনা থকা গাঁওসমূহত নিয়মীয়া তহলদাৰী কৰি থকাৰ লগতে অঞ্চলসমূহত প্ৰয়োজন সাপেক্ষে বিনামূলীয়া টৰ্চ লাইট, কেৰাচিন তেল, ফটকা আদি বিতৰণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অঞ্চলসমূহত পেট্ৰ'ল মোবাইল এপ্লিকেচন ব্যৱহাৰ কৰি নিয়মীয়া তহলৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা

হাতীৰ গতিবিধি নিৰীক্ষণ কৰি সেই তথ্য ৰে'ল আৰু বন বিভাগক প্ৰদান কৰা হয়। সংৰক্ষিত বনাঞ্চলৰ সীমাত সৌৰ বেৰ, চোৰাংচোৰা স্তম্ভ আৰু চোৰাং চিকাৰ প্ৰতিৰোধী শিবিৰ নিৰ্মাণেৰে বনৰীয়া হাতীক আৱাসিক এলেকাত প্ৰৱেশ কৰাত বাধা দিয়াৰ ব্যৱস্থা কৰা হৈছে। বন্যহস্তী আৰু অন্য বন্যপ্ৰাণীৰ সংঘাতত মৃত্যু হোৱা, আঘাতপ্ৰাপ্ত হোৱা আৰু ক্ষতিগ্ৰস্ত লোকসকলক এককালীন সাহায্য প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। হাতীৰ উপদ্ৰৱ ৰোধ কৰাৰ ক্ষেত্ৰত বিভাগৰ ফালৰ পৰা ৰে'ল বিভাগ, পঞ্চায়ত, গাঁওপ্ৰধান, বিদ্যুৎ বিভাগ, বেচৰকাৰী সংস্থাৰ লগত আলোচনামৰ্মে সমন্বয় সমিতি গঠন কৰা হৈছে। হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে বন্যপ্ৰাণী উপদ্ৰৱ ৰোধ সমিতি গঠন কৰাৰ লগতে তাৎক্ষণিক প্ৰতিৰক্ষা বাহিনী গঠন কৰা হৈছে বুলি বিধানসভাত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

কামৰূপ জিলা পৰিবহন বিভাগৰ অধীনৰ কৰ নিদিয়া বাণিজ্যিক বাহনসমূহৰ গৰাকীলৈ জিলা পৰিবহন বিভাগে ৩১ মাৰ্চৰ পূৰ্বে কৰ জমা দিবলৈ জাননী প্ৰেৰণ কৰিছে। বিগত এসপ্তাহ ধৰি বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত ঘৰে ঘৰে গৈ জাননী দিয়াৰ লগতে নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰ জমা দিবলৈ আহ্বান জনাইছে। ইয়াৰ অন্যথা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা পৰিবহন বিষয়াই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। কামৰূপ জিলা পৰিবহন বিভাগে ২০২৪-২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে মুঠ ৫৪ কোটি ৪০ লাখ ৮৬ হাজাৰ ৮৪৫ টকাৰ কৰ সংগ্ৰহ কৰিছে আৰু বৰ্তমানেও ১০ হাজাৰৰো অধিক লঘু আৰু গধুৰ বাণিজ্যিক বাহনে এতিয়াও কৰ দিবলৈ বাকী আছে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অনুষ্ঠিত লিখিত পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্য্যায়ৰ নিযুক্তি আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে নিজৰ ফলাফলসমূহ চাব পাৰিব। ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্টবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নৰ কনিষ্টবলৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

আজি অসম আৰক্ষীৰ ২০২টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ এটা সহকাৰী উপ নিয়ন্ত্ৰক পদৰ  লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে।

০০০০০

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০

সমাপ্ত